**1 (Sem–3/FYUGP) ASS 42 MJ**

NANDARAM DHEKIL PHOOKAN COLLEGE
Acc. No.
Date

**2 0 2 5**

# ASSAMESE

( Major )

Paper : ASS4300204MJ

**( অসমীয়া চুটিগল্প আৰু উপন্যাস )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) 'আৱাহন' আলোচনীখন প্ৰথম কাৰ সম্পাদনাত প্ৰকাশ পাইছিল?

(খ) 'কাঠনিবাৰীৰ ঘাট' গল্পটোৰ গল্পকাৰৰ নাম কি?

(গ) 'সুধৰ্মাৰ উপাখ্যান' নামৰ উপন্যাসধৰ্মী গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) বিৰিঞ্চিকুমাৰ বৰুৱাই ছদ্মনামত ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম চুটিগল্প সংকলনখনৰ নাম কি?

(চ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটোত উল্লেখ থকা হাতীটোৰ নাম কি?

(ছ) মামণি ৰয়চম গোস্বামীৰ 'চেনাবৰ সোঁত' উপন্যাসখন প্ৰথম কোন চনত প্ৰকাশ হৈছিল?

(জ) 'ডাৱৰ আৰু নাই উপন্যাস'ৰ কোনটো চৰিত্ৰই চাকৰি এৰি যুদ্ধত ঠিকাৰে প্ৰচুৰ ধন উপাৰ্জন কৰে?

২। তলৰ প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) কোন শতিকাৰ, কোন দশকত অসমীয়া চুটিগল্পৰ জন্ম হৈছিল?

(খ) শৰৎচন্দ্ৰ গোস্বামীৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) লক্ষ্মীধৰ শৰ্মা আৰু বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য অসমীয়া গল্প-সাহিত্যৰ কোন কোন যুগৰ গল্পকাৰ?

(ঘ) ৰজনীকান্ত বৰদলৈ ৰচিত দুখন ঐতিহাসিক উপন্যাসৰ নাম লিখা।

(ঙ) দুখন অসমীয়া আঞ্চলিক উপন্যাসৰ নাম উল্লেখ কৰা।

(চ) লক্ষ্মীনাথ ফুকনে কোনখন গ্ৰন্থৰ বাবে, কোন চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ছ) 'মুক্তি' গল্পটোত উল্লেখ থকা এটা প্ৰধান চৰিত্ৰ সুকুমাৰৰ ককায়েকৰ নাম আৰু বৃত্তি উল্লেখ কৰা।



ANANDARAM DHEKIAL PHOOKAN COLLEGE
Acc. No.
Date
Nagaon



(জ) ''নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি।'' 'হাতী' গল্পটোত উল্লেখ থকা এই অথৰ্ব প্ৰতিনিধি দুটা কোন কোন?

(ঝ) 'ডাৱৰ আৰু নাই' উপন্যাসত চিত্ৰিত গেৰেলা কোন? পাছত তেওঁ কি নামেৰে পৰিচিত হৈছিল?

(ঞ) অসমৰ বাহিৰৰ পটভূমিক কেন্দ্ৰ কৰি ৰচনা কৰা মামণি ৰয়চম গোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** চমু টোকা লিখা : ৫×৪=২০

(ক) জোনাকী যুগৰ চুটিগল্পৰ বৈশিষ্ট্য

(খ) ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পৰ বৈশিষ্ট্য

(গ) অসমীয়া জীৱনীমূলক উপন্যাস

(ঘ) উত্তৰকালীন অসমীয়া উপন্যাস

(ঙ) হোমেন বৰগোহাঞিৰ গল্পত বিষয়বস্তুৰ বৈচিত্ৰ্য

(চ) লক্ষ্মীনাথ ফুকনৰ গল্পত ফ্ৰয়েডীয় মনস্তত্ত্ব

(ছ) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসৰ অনুপমা চৰিত্ৰটোৰ বিশ্লেষণ

(জ) 'চেনাবৰ সোঁত' উপন্যাসৰ সদাশিৱ চৰিত্ৰটোৰ চাৰিত্ৰিক বিশেষত্ব

CHANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No
Date



৪। তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'মুক্তি' গল্পটোৰ মাজেৰে কঠোৰ অনুশাসনৰ পৰিণতি কেনেদৰে দেখুওৱা হৈছে, আলোচনা কৰা।

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটোত প্ৰজন্মৰ ব্যৱধান কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) 'ডাৱৰ আৰু নাই' উপন্যাসত দ্বিতীয় বিশ্বযুদ্ধই অসমীয়া সমাজ-জীৱন কলুষিত কৰাৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা।

★★★